# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
--------------------

১। শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে।
২। মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্য দুখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।
৩। দিল্লীৰ এখন আদালতে এন আই এ-ক মুম্বাই আক্ৰমণৰ অন্যতম অভিযুক্ত তাহাবুৰ হুছেইন ৰাণাৰ কণ্ঠস্বৰ আৰু হাতৰ আখৰৰ নমুনা সংগ্ৰহ কৰাৰ বাবে অনুমতি প্ৰদান কৰিছে।
৪। জম্মু আৰু কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত অপ্ৰৰোচিত গুলীবৰ্ষণেৰে পাকিস্তানে যোৱা নিশা একেৰাহে সপ্তমটো দিনৰ বাবে যুদ্ধবিৰতি উলংঘন কৰে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। এই দিনটো মে' দিৱস হিচাপেও জনাজাত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'শ্ৰমিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য'। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস উপলক্ষে সকলো শ্ৰমিকক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে এটা বিকশিত ভাৰত গঢ় দিয়াৰ ক্ষেত্ৰত জনসাধাৰণৰ জীৱন সুচল কৰা আৰু অৰ্থনৈতিক উন্নয়নৰ গতি দ্ৰুত কৰাৰ ক্ষেত্ৰত শ্ৰমিকসকলৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ শলাগ লয়। শ্ৰমিকসকলক ৰাষ্ট্ৰ নিৰ্মাণৰ শক্তিশালী স্তম্ভ বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে কেন্দ্ৰীয় চৰকাৰ শ্ৰমিকসকলৰ কল্যাণ আৰু তেওঁলোকৰ উন্নয়নৰ বাবে বদ্ধপৰিকৰ। শ্ৰীশ্বাহে দেশৰ শ্ৰমিকসকলক শুভেচ্ছা জ্ঞাপন কৰি দিয়া এটা বাৰ্তাত তেওঁলোকৰ ত্যাগ আৰু পৰিশ্ৰমৰ বিষয়ে উল্লেখ কৰে।

oooooo

মহাৰাষ্ট্ৰৰ ৬৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হৈছে। এই উপলক্ষে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে মুম্বাইৰ ছত্ৰপতি শিৱাজী মহাৰাজ উদ্যানত ৰাজ্যিক ভিত্তিত আয়োজিত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ৰাজ্যপালগৰাকীয়ে সুৰক্ষা বাহিনীৰ কুচকাৱাজৰ অভিবাদনো গ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীৰাধাকৃষ্ণনে মহাৰাষ্ট্ৰই উন্নয়নৰ সকলো খণ্ডতে অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। ৰাজ্যখনৰ মহাজোঁট চৰকাৰৰ কাম-কাজৰ প্ৰশংসা

কৰি তেওঁ কয় যে ৰাজ্যখনৰ চৰকাৰ সকলো শ্ৰেণীৰ লোকৰ অংশগ্ৰহণৰ জৰিয়তে এখন সৰ্বাত্মক, প্ৰগতিশীল আৰু বিকশিত মহাৰাষ্ট্ৰ গঢ়িবলৈ বদ্ধপৰিকৰ। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, মহাৰাষ্ট্ৰৰ বিধায়িনী পৰিষদৰ অধ্যক্ষ অধ্যাপক ৰাম সিন্দে, মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ ৰাহুল নৰ্‌ৱেকাৰ, কেইবাগৰাকীও মন্ত্ৰী, বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰালয়ৰ প্ৰতিনিধি, শীৰ্ষ বিষয়া আৰু সুৰক্ষা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী শ্ৰীফাড়নবিছে তেওঁৰ চৰকাৰী বাসভৱন বৰ্ষাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তেওঁ লগতে মুম্বাইৰ হুতাত্মা চ'কত থকা স্মাৰকত সংযুক্ত মহাৰাষ্ট্ৰ আন্দোলনৰ শ্বহীদৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য তৰ্পন কৰে।

০০০০০০

মহাৰাষ্ট্ৰ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে ছত্ৰপতি শিৱাজী মহাৰাজৰ পৱিত্ৰ ভূমি মহাৰাষ্ট্ৰৰ জনসাধাৰণ সদায়েই দেশপ্ৰেমৰ চেতনাৰে উদ্বুদ্ধ আৰু তেওঁলোকৰ অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়াৰ অপৰিসীম সাহস আছে। তেওঁ লগতে কয় যে মহাত্মা ফুলে, সাৱিত্ৰীবাঈ ফুলে, মহাদেৱ গোবিন্দ ৰানাদে, বাল গঙ্গাধৰ তিলক, গোপাল কৃষ্ণ গোখলে আৰু বাবা চাহেব আম্বেদকাৰৰ দৰে ৰাজ্যখনৰ মহান ব্যক্তিত্বই সমাজখনক নতুন গতি দিবলৈ সমৰ্থ হৈছিল। শ্ৰীমতী মুৰ্মুৱে ৰাজ্যখনৰ জনসাধাৰণৰ সুখ-সমৃদ্ধি কামনা কৰি কয় যে ইয়াৰ জনসাধাৰণে ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মহাৰাষ্ট্ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাজ্যখনৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে ৰাজ্যখনৰ জনসাধাৰণে ভাৰতৰ উন্নয়নত শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে মহাৰাষ্ট্ৰৰ কথা কোৱাৰ লগে লগে ৰাজ্যখনৰ গৌৰৱময় ইতিহাস আৰু ইয়াৰ জনসাধাৰণৰ অদম্য সাহসৰ কথাই সকলোৰে মনলৈ আহে। শ্ৰীমোদীয়ে ৰাজ্যখনক দেশৰ প্ৰগতিৰ শক্তিশালী স্তম্ভ বুলি অভিহিত কৰি মহাৰাষ্ট্ৰ সদায়েই শিপাৰ সৈতে সংযুক্ত হৈ আছে বুলি মন্তব্য কৰে।

০০০০০০

গুজৰাটৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিশিষ্ট ব্যক্তিসকলে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত জাতিৰ পিতা মহাত্মা গান্ধী আৰু লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ দৰে সুপুত্ৰৰ পৱিত্ৰ ভূমি গুজৰাটে সমগ্ৰ বিশ্বত ভাৰতৰ মান বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যখনৰ জনসাধাৰণ উল্লেখনীয় প্ৰতিভা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ বাবে জনাজাত। ৰাজ্যখনে প্ৰগতিৰ নতুন মান নিৰ্ধাৰণ কৰাৰ লগতে ভাৰতক বিশ্বশক্তিৰূপে গঢ়ি তোলাত অনন্য ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও গুজৰাট দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ৰাজ্যখন সংস্কৃতি, উদ্যোগী মনোভাৱ আৰু গতিশীলতাৰ বাবে জনাজাত। গুজৰাটৰ জনসাধাৰণে বিভিন্ন ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰিছে বুলি উল্লেখ কৰি তেওঁ ভৱিষ্যতে ৰাজ্যখন উন্নয়নৰ শিখৰত উপনীত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

দিল্লীৰ এখন আদালতে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা এন আই এ-ক ২৬/১১ মুম্বাই আক্ৰমণৰ অন্যতম অভিযুক্ত তাহাৱুৰ হুছেইন ৰাণাৰ কণ্ঠস্বৰ আৰু হাতৰ আখৰৰ নমুনা সংগ্ৰহ কৰাৰ বাবে অনুমতি প্ৰদান কৰিছে। অনুসন্ধানকাৰী সংস্থাটোৱে দাখিল কৰা এখন আবেদনৰ সহাৰি জনাই এন আই এ-ৰ বিশেষ বিচাৰপতি চন্দৰজিৎ সিঙে এই নিৰ্দেশত অনুমোদন জনায়। বিচাৰপতিগৰাকীয়ে অভিযুক্ত ৰাণাৰ জিম্মাৰ ম্যাদ নতুনকৈ ১২ দিনৰ বাবে বৃদ্ধি কৰি যোৱা সোমবাৰে জাৰি কৰা এটা নিৰ্দেশৰ পাছত এই সন্দৰ্ভত অনুমতি প্ৰদান কৰে।

০০০০০০

বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেলৰ নৰৱে ভ্ৰমণৰ সামৰণি পৰিছে। ২৫ বছৰৰো অধিক কালৰ বিৰতিত এগৰাকী ভাৰতীয় বাণিজ্য মন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত তাৎপৰ্য বহন কৰিছে। সামাজিক মাধ্যমত যোৱানিশা দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে তেওঁৰ এই ভ্ৰমণক অনন্ত ফলপ্ৰসূ বুলি অভিহিত কৰি নৰৱেৰ

ৰাজনৈতিক আৰু বাণিজ্যিক খণ্ডৰ নেতৃত্বৰ সৈতে তেওঁ কৰা আলোচনাই দেশ দুখনৰ মাজত আস্থা  আৰু উন্নয়নৰ নতুন যুগৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

ঢাকাস্থিত ভাৰতীয় উচ্চায়োগৰ ইন্দিৰা গান্ধী সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত কালি আয়োজিত এটা অনুষ্ঠানত প্ৰসিদ্ধ তবলা বাদক ওস্তাদ জাকিৰ হুছেইনৰ প্ৰতি সাংগীতিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ জগতখনলৈ তেওঁ আগবঢ়াই থৈ যোৱা অনবদ্য অৱদানৰ প্ৰতি শ্ৰদ্ধা তৰ্পনৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট শিল্পীয়ে অংশগ্ৰহণ কৰে। পল্লৱ সান্যাল আৰু তেওঁৰ সংগীসকলে তবলাৰ অনুষ্ঠান পৰিবেশন কৰাৰ লগতে প্ৰসিদ্ধ সৰোদ বাদক ৰাজৰূপা চৌধুৰী আৰু তেওঁৰ সংগীসকলে শ্ৰোতা-দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰি ৰাখে। এই অনুষ্ঠানত ভাষণ দি বাংলাদেশত থকা ভাৰতীয় ৰাষ্ট্ৰদূত প্ৰণয় বাৰ্মাই তবলাৰ সম্ৰাট ওস্তাদ জাকিৰ হুছেইনৰ প্ৰতিভাক ভূয়সী প্ৰশংসা কৰি পৰৱৰ্ত্তী প্ৰজন্মসমূহৰ মাজত তেওঁৰ এই প্ৰতিভাৰ ধাৰা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

জম্মু আৰু কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত অপ্ৰৰোচিত গুলীবৰ্ষণেৰে পাকিস্তানে যোৱা নিশা একেৰাহে সপ্তমটো দিনৰ বাবে যুদ্ধবিৰতি উলংঘন কৰে। প্ৰতিৰক্ষা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে পাকিস্তানী সেনাই লঘু অস্ত্ৰৰে কৰা এই গুলীবৰ্ষণৰ সেনাবাহিনীয়ে যোগ্য প্ৰত্যুত্তৰ দিয়ে। কুপৱাড়া, উৰি আৰু আখনুৰ খণ্ডৰ বিপৰীত দিশৰ পাকিস্তানী সেনাৰ চকীসমূহৰ পৰা লঘু অস্ত্ৰৰে অপ্ৰৰোচিতভাৱে গুলীবৰ্ষণ কৰা বুলি সূত্ৰটোৱে জানিবলৈ দিয়ে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটান্‌ছৰ বিৰুদ্ধে শেহতীয়া খেলখনত মাত্ৰ ৩৫টা বলতে শতক অৰ্জন কৰি অভিলেখ সৃষ্টি কৰা ৰাজস্থান দলৰ ১৪ বছৰ বয়সীয়া খেলুৱৈ বৈভৱ সূৰ্যবংশীৰ প্ৰদৰ্শনৰ প্ৰতি আজিও ক্ৰিকেট অনুৰাগীসকলে আগ্ৰহেৰে অপেক্ষা কৰি আছে। প্ৰতিযোগিতাত দলটোৰ অস্তিত্ব ৰক্ষাৰ কাৰক হিচাপে বিবেচিত আজিৰ খেলখনতো খেলুৱৈগৰাকীৰ প্ৰদৰ্শনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰকাশ পাইছে।

০০০০০০

সমাপ্ত